# Osteoarthritis
# অষ্টিয়আথ্ৰাইটিছ্

## অষ্টিয়আথ্ৰাইটিছ্ (O A) কি?

অষ্টিয়আথ্ৰাইটিছ্ হ'ল এবিধ মন্থৰ গতিৰে আগবঢ়া গাঁঠিৰ ৰোগ, যি বেছিকৈ আদ বয়সীয়া আৰু বয়সস্থ লোকৰ ক্ষেত্ৰত দেখা যায়। যেতিয়া গাঁঠিৰ সংযোজিত হাড়ৰ উপৰিভাগত থকা কৰ্টিলেজ (cartilage) অংশ ক্ষয় গৈ তলত থকা হাড় উন্মোক্ত হৈ অষ্টিয়আথ্ৰাইটিছ ৰোগৰ সৃষ্টি হয়।

## অষ্টিয়আথ্ৰাইটিছ ৰোগৰ প্ৰাদুৰ্ভাৱ কিমান?

বিশ্ব স্বাস্থ্য সংস্থা (WHO)ৰ ৰিপৰ্টৰ অনুযায়ী আঁঠুৰ অষ্টিয়আথ্ৰাইটিছ্ পৃথিৱীৰ ভিতৰতে মহিলাসকলৰ অক্ষমতাৰ চতুৰ্থতম কাৰণ হয় আৰু পুৰুষৰ ক্ষেত্ৰত অষ্টম পৰ্যায়ত।

## অষ্টিয়আথ্ৰাইটিছ্‌ৰ লক্ষণ কি?

অষ্টিয়আথ্ৰাইটিছ্‌ত গাঁথিৰ বিষ, ঠৰঙা লগা, ফুলি যোৱা, গাঁঠি লৰচৰ কৰিলে মেৰেককৈ শব্দ উঠা আৰু ক্ৰমান্বয়ে গাঁঠিৰ কাৰ্যক্ষমতা কমি যোৱাটোৱেই এই ৰোগৰ প্ৰধান লক্ষণ।

## অষ্টিয়আথ্ৰাইটিছ্‌ত কোন কোন গাঁঠি আক্ৰান্ত হয়?

অষ্টিয়আথ্ৰাইটিছ্‌ত ভৰ বহন কৰা গাঁঠিবিলাক বিশেষভাৱে আক্ৰান্ত হয়, যেনে— কঁকাল আৰু আঁঠুৰ গাঁঠি। তদুপৰি ৰাজহাড় আৰু হাতৰ গাঁঠিবিলাকো এই ৰোগত আক্ৰান্ত হ'ব পাৰে।

## অষ্টিয়আথ্ৰাইটিছ্ হোৱাৰ সম্ভাৱনা বৃদ্ধি কৰাৰ কাৰক বিলাক কি কি?

— বৃদ্ধাৱস্থা
— যাৰ পৰিয়ালত এনে ৰোগী আছে
— মেদবহুলতা
— গাঁঠিৰ আঘাত

## অষ্টিয়আথ্ৰাইটিছ্‌ৰ ৰোগ নিৰ্ণয় কেনেকৈ কৰা হয়?

ৰোগৰ লক্ষণ আৰু শাৰীৰিক পৰীক্ষাৰ ভিত্তিত এই ৰোগ নিৰ্ণয় কৰা হয়। যেতিয়া ৪০বছৰ বা তাতোকৈ বেছি বয়সৰ এজন লোকৰ গাঁঠিৰ বিষ, দৈনন্দিন কাম-কাজ কৰাৰ পাছত দিনটোৰ শেষৰ ফালে বৃদ্ধি পায়, তেনেক্ষেত্ৰত অষ্টিয়আথ্ৰাইটিছ্ হোৱাৰ সম্ভাৱনাই অধিক। ভালদৰে পৰীক্ষা কৰিলে আক্ৰান্ত হোৱা গাঁঠিটো সামান্য ফুলি উঠা আৰু লৰচৰ কৰিলে মেৰেকাই উঠা শব্দ শুনা যায়।

## অষ্টিয়আথ্ৰাইটিছ্‌ৰ ৰোগ নিৰ্ণয়ত এক্স-ৰেৰ প্ৰয়োজনীয়তা আছেনে?

ভৰ বহনকাৰী গাঁঠিবোৰৰ অষ্টিয়আথ্ৰাইটিছ্ ৰোগৰ প্ৰাবল্যতা নিৰ্ণয় কৰাৰ লগতে অন্যান্য গাঁঠিৰ ৰোগৰ পৰা ইয়াৰ পাৰ্থক্য নিৰ্ণয় কৰাত এক্স-ৰেৰ এক মুখ্য ভূমিকা আছে।

IRA

**IRA Committee on patient Education**
**ভাৰতীয় ৰিউমেটল'জী সন্থাৰ ৰোগী শিক্ষা সমিতি**


*Assamese Translation by:*
**Prof. Sanjeeb Kakati**
Deptt. of Medicine, Assam Medical College, Dibrugarh

*অসমীয়া অনুবাদ ঃ*
**ডাঃ সঞ্জীৱ কাকতি**
অধ্যাপক, মেডিচিন বিভাগ, অসম চিকিৎসা মহাবিদ্যালয়, ডিব্ৰুগড়